# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-03-2025
**Time:** 1205 Hrs

## *Assamese Midday Bulletin*
***- - - - - - - - - - - - - -***

ৰাজ্য চৰকাৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদ পুৰণৰ ক্ষেত্ৰত চাহ জনগোষ্ঠী আৰু আদিবাসী প্ৰাৰ্থীৰ বাবে ৩ শতাংশ পদ সংৰক্ষণ কৰাৰ সিদ্ধান্ত লৈছে। কৰ্মচাৰী বিভাগে এই সন্দৰ্ভত সংশোধিত জাননী জাৰি কৰিছে। এই সংৰক্ষণ অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত ২৭ শতাংশ পদৰ ভিতৰত হ'ব। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে জাৰি কৰা নতুন জাননীখনত যোগ্য প্ৰাৰ্থীৰ অভাৱত ৩ শতাংশ পদ পুৰণ নহ'লে সংশ্লিষ্ট পদবোৰ খালী ৰাখিব লাগিব বুলি উল্লেখ কৰা হৈছে। পৰৱৰ্তী নিযুক্তিৰ সময়ত চাহ জনগোষ্ঠী আৰু আদিবাসী প্ৰাৰ্থীৰ দ্বাৰা সেই পদসমূহ পুৰণ কৰা হ'ব। তিনি শতাংশতকৈ অধিক যোগ্য প্ৰাৰ্থী থাকিলে অৱশিষ্ট অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক পিছপৰা শ্ৰেণীৰ মূল ২৭ শতাংশ সংৰক্ষণত অন্তৰ্ভুক্ত কৰা হ'ব। তিনি শতাংশকৈ কম যোগ্য প্ৰাৰ্থী থাকিলে কম নম্বৰ পোৱা প্ৰাৰ্থীৰ পৰাও বাচনি কৰিবলৈও জাননীখনত উল্লেখ কৰা হৈছে। সংৰক্ষণৰ উপৰি অধিক নম্বৰ পোৱাসকলে অসংৰক্ষিত শ্ৰেণীৰ পদতো বাচনিভুক্ত হ'ব পাৰিব বুলি জাননীত উল্লেখ আছে।

০০০০০

ৰাজ্যিক কেবিনেটৰ অনুমোদন অনুসৰি ৰাজ্যৰ ১১ খন জিলাৰ ২০০ খন নিম্ন প্ৰাথমিক বিদ্যালয়ত অহা ২ এপ্ৰিলত মিচিং মাতৃ ভাষাত শিক্ষাদান আৰম্ভ হ'ব। এই উপলক্ষে বিদ্যালয়সমূহ আটকধুনীয়াকৈ সজাই-পৰাই তোলাৰ লগতে বিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ কৰাত জাতীয় সংগঠনৰ সদস্যসকলে স্থানীয় ৰাইজক সহযোগিতা আগবঢ়াইছে। মিচিং ভাষাত গীত পৰিৱেশনৰ বাবে বিদ্যালয়সমূহত আখৰা চলাই মিচিং জাতীয় সংস্কৃতিৰ পৰশ দিবলৈ চেষ্টা চলোৱা হৈছে। মিচিং জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবীৰ ফলশ্ৰুতিত ৰাজ্যৰ ২০০ খন নিম্ন প্ৰাথমিক বিদ্যালয় মিচিং মাতৃভাষাৰ পাঠদানৰ বাবে স্বীকৃতি দিয়া কাৰ্যক **মিচিং আগম কেবাঙৰ** মুখ্য সম্পাদক সোমেশ্বৰ কাপ্টাকে আদৰণি জনাইছে। মুখ্য সম্পাদকগৰাকীয়ে ৰাজ্য চৰকাৰক কৃতজ্ঞতা জনোৱাৰ লগতে ৰাজ্যৰ নিৰ্বাচিত সকলো বিদ্যালয়তে যাতে সুন্দৰ পৰিৱেশৰ মাজত মিচিং মাতৃভাষাত পাঠদানৰ সু-ব্যৱস্থা কৰিব পাৰি তাৰ বাবে সংশ্লিষ্ট সকলোকে আহ্বান জনাইছে।

০০০০০

সপ্তম আৰু অষ্টম দশকৰ জনপ্ৰিয় গায়িকা, আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পী হীৰা দাসৰ আজি পুৱা ৩ বাজি ৩০ মিনিটত মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৩ বছৰ। ব্ৰেইন ষ্ট্ৰোকত আক্ৰান্ত হৈ যোৱা ৪ দিন ধৰি তেওঁ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। **বনত ইমান**

**পলাশৰে চাকি** শীৰ্ষক জনপ্ৰিয় গীতটিত কণ্ঠদান কৰা বিশিষ্ট গায়িকাগৰাকীৰ মৃত্যুত ৰাজ্যবাসীয়ে শোক প্ৰকাশ কৰিছে। নৱগ্ৰহ শ্মসানত আজি বিয়লি ভাগত গায়িকাগৰাকীৰ শেষকৃত্ব সম্পন্ন হ'ব।

০০০০০

মাজুলী উত্তৰ কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত কালিৰে পৰা লোক সংস্কৃতি সমাৰোহ ২০২৫ অনুষ্ঠিত হৈছে। সদৌ অসম মইনা পাৰিজাতৰ মহাৰজত জয়ন্তী উপলক্ষে মাজুলী জিলা মইনা পাৰিজাতৰ সৌজন্যত ৩ দিনীয়াকৈ এই সমাৰোহৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী তথা সদৌ অসম মইনা পাৰিজাতৰ সভাপতি কেশৱ মহন্তই এই সমাৰোহৰ উদ্বোধন কৰে। উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য, বিধায়ক ভূবন গামৰ লগতে সদৌ অসম মইনা পাৰিজাতৰ বিষয়ববীয়া তথা মইনাসকল উপস্থিত থাকে।

০০০০০

শ্ৰোতাসকলৰ বিপুল দাবীৰ প্ৰতি সঁহাৰি জনাই আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জনপ্ৰিয় অনুষ্ঠান 'জিলাৰ ৰেহৰূপ' পুনৰ সন্ধিয়াৰ পৰিৱৰ্তে পুৱাৰ ভাগত প্ৰচাৰৰ দিহা কৰা হৈছে। সেই অনুসৰি অহা ১ এপ্ৰিলৰ পৰা জিলাৰ ৰেহৰূপ অনুষ্ঠান প্ৰতিদিনে পুৱাৰ আঞ্চলিক বাতৰিৰ ঠিক পাছতেই অৰ্থাৎ ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২০ মিনিটলৈ প্ৰচাৰিত হ'ব। উল্লেখযোগ্য যে কোৱিড কালত বিভিন্ন অনুষ্ঠানৰ সময় পৰিৱৰ্তনৰ বাবে জিলাৰ ৰেহৰূপৰ প্ৰচাৰ বন্ধ কৰা হৈছিল আৰু পৰৱৰ্তী কালত ইয়াক সন্ধিয়া ৭ বাজি ৫ মিনিটত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

০০০০০

বেংগালুৰুৰ কেনগেৰিৰ ছাইত অনুষ্ঠিত ইণ্ডিয়া গ্ৰাঁ প্ৰী-ৰান ২০০ মিটাৰ দৌৰ প্ৰতিযোগিতাত অসমৰ অম্লান বৰগোহাঁয়ে স্বৰ্ণ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে ২০ দশমিক ৮-৩ ছেকেণ্ডত এই দৌৰ সম্পন্ন কৰে। পূৰ্বে ৰাষ্ট্ৰীয় শাখাত অম্লান বৰগোহাঁয়ে ২০ দশমিক ৫-২ ছেকেণ্ডত দৌৰি এই শাখাত অভিলেখ গঢ়িছিল। আনহাতে এই প্ৰতিযোগিতাতে খেলুৱৈ গৰাকীয়ে ১০ দশমিক ৪-৩ ছেকেণ্ডত ১০০ মিটাৰ দৌৰ সম্পন্ন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইপিনে, যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৫০ ৰাণত পৰাস্ত কৰে। চেন্নাইয়ে ১৯৭ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৪৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰাচিন ৰবীন্দ্ৰই সৰ্বাধিক ৪১ ৰাণ কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ জছ হেজেলউদে ৩টা উইকেট দখল কৰাৰ উপৰি য়ছ দায়াল আৰু লিয়াম লিভিংষ্টনে দুটাকৈ উইকেট লাভ কৰে।

০০০০০

সমাপ্ত